ঝঙ্কৃত হ'ল আজি
ওঙ্কাৰ আজান,
বিশ্বমন্ত্ৰ গাওঁ
অভিনৱ আলোকৰ
সভ্যতাৰ গান,
জগাওঁ পৃথিৱী
জগালোঁ হিন্দুস্থান।
অৰুণালোকত জ্বলে
মোৰ উচ্চশিৰ,
ময়ে সত্য সনাতন ধ্ৰুবজ্যোতি পৃথিৱীৰ।

কাঞ্চনজঙ্ঘা সম
স্বৰ্ণ কিৰীটি
শুভ্ৰ কপালত কল্পকাল তপস্যাৰ সমুজ্জ্বল ভাতি
যুগান্ত সুপ্তি-ধ্যান
পৰিহৰি
জাগোঁ অভি নৱ-জ্যোতি
অৰ্জ্জুন সমান,
ন-যোৱান-ই-হিন্দ ময়েই
ভাৰত ন-যোৱান।

বুভুক্ষ ভাৰত আজি কঙ্কালসাৰ
ৰোধিব নোৱাৰে আসুৰীয় অধিকাৰ
অন্যায়-অবিচাৰ,
যুগ-যুগান্ত
জননী নিপীড়িত
আলোক আলোক ক'ত—
অন্ধকাৰ মাথোঁ অন্ধকাৰ;

দলিতৰ পেষিতৰ,
ক্ষুধিতৰ, তৃষিতৰ
লাঞ্ছিতৰ মাথো। হাহাকাৰ।
ধ্যানভঙ্গ মহাকাল সম মই
সেইহে জাগিলোঁ আজি
ভীষণ ৰূপেৰে সাজি
বিদ্যুত-বিপ্লৱ-বহ্নি জ্বালি
তিমিৰৰ মহাগৰ্ভ ফালি
যাওঁ মই
মূৰ্ত্তিমান হুহুঙ্কাৰে বনাগ্নিৰ বেগেৰে, দুৱাৰে দুৱাৰে—
উন্মত্ত উল্লাসে, সাগৰৰ পাৰে পাৰে, নগৰে নগৰে
নতুন সৃষ্টিৰ মই
বজাওঁ বিষাণ
আকাশ পৃথিবী কম্পমান।
ধ্বংস-নৃত্য নাচো
মই আজি উলঙ্গ তুফান,
ন-যোৱান-ই-হিন্দ মই
ভাৰত ন-যোৱান।
ময়েই অতীত
ময়ে ভৱিষ্যৎ
ময়েই বৰ্ত্তমান,
চিৰপুৰাতন
নিত্যে নবীন
সূৰ্য্যৰ দৰে জ্বলিছো আয়ুষ্মান।
জাগো কল্পকাল
উত্তাৰি ধৰিত্ৰী বিশাল
মাৰ যাওঁ পুনু—

আন্ধাৰ সমাধি লভি, জপোঁ নৱৰূপান্তৰ
কৰি থাকোঁ ধ্যান,
নতুন দিনৰ বাবে
নৱ আলোকেৰে
জাগোঁ পুনু হৈ জ্যোতিষ্মান।
উদয় অস্তৰ মাজে
অনন্তৰ বাটে বাটে
চিৰ প্ৰবাহমান,
নুমাই জ্বলিছোঁ
জ্বলি বুৰিছোঁ
পুনৰ অভ্যুদয়িত মযেই
আনিছো আলোকবান।
চিৰদীপ্তিমান
ন-যোৱান-ই-হিন্দ মই
আজি মোৰ সমাধিৰ কালান্ত
সহস্ৰ বৰ্ষৰ ধ্যানৰ অন্ত—
এক নৱ জ্ঞানৱন্ত,
আজি মোৰ অন্তৰত
জাগে এক আলোকৰ মহাবসন্ত—
অগ্নি-পদুম ফুলি হাঁহিবে শ্ৰীমন্ত।
অস্ত্ৰেৰে
নোৱাৰিবি কৰিব ৰুদ্ধ
জাগোঁ বৈশ্বানৰৰূপী
অভিনৱ বুদ্ধ।
সমাধিৰ নিশ্চলতা
নীৰৱতা, নিস্তব্ধতা দেখি

কোন এই আহিছিল
অন্তৰেদি
অশুচি অস্তৰখন লৈ
মোৰ তপোবনলৈ—
নাৰাখিলি মোৰ এই
সমাধিৰ প্ৰশান্ত সন্মান—
সাৱধান!

সাৱধান
নৱলোক!
সাৱধান আত্মীয়লোক!
সাৱধান, সাৱধান!
সমস্ত পৃথিবী সাৱধান!
জাগোঁ মই মৃত্যুঞ্জয়ী ভাৰত-যোৱান।

মোৰ হাত যুগান্তৰ
গ্লানি অপমান,
তাৰ আজি
হ'বই লাগিব সমাধান,
নহ'লে নিদিওঁ পৰিত্ৰাণ—
তূণ ভৰি ল'লোঁ অগ্নিবাণ
আজি গাণ্ডীৱৰ অভিযান,
ন-যোৱান-ই-হিন্দ মই
ভাৰত ন-যোৱান।

আজি মোৰ যত পুণ্যফল,
উগ্ৰ তপস্যাৰ তেজেৰে উজ্জ্বল—
জ্বল্ জ্বল্ জ্বল।
আজি ধৌত হৈ যাওক যত মহাপাপ

আজি জহি-খহি যাওক
যত অভিশাপ,
আজি শান্তি হ'ক যত
যুগৰ সন্তাপ।
আজি মই কৰোঁ অগ্নিস্নান
আজি ৰক্তস্নান
আজি মই সত্যৰ বলেৰে বলীয়ান;
কোনে ৰোধিবি মোক
কোন আছ এনে শক্তিমান?
ন-যোৱান-ই-হিন্দ মই
ভাৰত ন-যোৱান।

প্ৰথম সৃষ্টিৰ ময়ে
বিকাশ মানৱ
ময়ে প্ৰাণী অভিনৱ,
ময়ে ব্ৰহ্মাৰূপে
স্ৰজিছোঁ অনন্ত
মই মন্ত্ৰৱন্ত
বিবিধ জীৱনৰ বিচিত্ৰ সম্ভাৰ,
সুন্দৰৰ পূজাৰ ষোড়শোপচাৰ;
ময়ে বিষ্ণুৰূপে
পালোঁ
আপোমাৰ সৃষ্ট সংসাৰ।
মই মহাকাল হৈ
পুৰণিক ভাঙিছিঙি—
ধ্বংস-বিধ্বংস কৰি
নাচোঁ নাচ প্ৰলয় তাণ্ডৱ—

সৃষ্টিৰ উচ্ছেদ কৰি
নবীন সৃষ্টিৰ বাবে
পৰিগ্ৰহি শিলাৰূপ
কৰি থাকোঁ যুগ যুগ ধ্যান,
ন-যোৱান-ই-হিন্দ মই
ভাৰত-ন-যোৱান।
অনাদিৰ পৰা মই
কৰি আছোঁ যাত্ৰা
সন্তৰ্পণে ৰাখি যাওঁ সৃষ্টি-স্থিতি-প্ৰলয়ৰ লয়-মান-মাত্ৰা।
অনন্তৰ বাটে বাটে—
ৰইছোঁ, গাইছোঁ,
আনিছো, দিছোঁ,
হাঁহিছোঁ, কান্দিছো,
জীৱন-তৰণী ঘূৰিছে
ফুৰিছে
কাল-সাগৰৰ
কতনো দেশৰ
নেদেখা নুশুনা ঘাটে ঘাটে।
বিকশিছোঁ কতনা প্ৰপঞ্চে
নানা যুগযুগৰ
মঞ্চে মঞ্চে,
আন্ধাৰেদি পোহৰেদি
বিচিত্ৰ খেমালি খেদি
মই আগুৱান—
ন-যোৱান-ই-হিন্দ্ মই ভাৰত ন-যোৱান।
ময়েই এবিধ
ময়ে বিবিধ

ময়েই সকলো
ময়েই সমাজ ধৰ্ম্ম
জ্ঞান-বিজ্ঞানৰ ময়েই সকলো মৰ্ম্ম।
ময়েই জাতি, বৰ্ণ
ময়েই ব্ৰাহ্মণ-চণ্ডাল
বৌদ্ধ, জৈন, পাৰসী, শিখ,
ইহুদী খৃষ্টিয়ান—
ময়েই হিন্দু, ময়েই মুছলমান।
সকলো ময়েই
ময়েই সকলো
নৱভাৰত প্ৰাণ,
ন-যোৱান-ই-হিন্দ মই
ভাৰত ন-যোৱান।
আজি মোৰ গৃহ জুৰি
আছে যত অপবিত্ৰ
আত্মা কুৰূপ,
মোহাচ্ছন্ন
ভ্ৰান্ত যত
অমানুহ অন্ধ,
বৰ্ব্বৰ আনন্দেৰে
নিলৰ্জ্জ উল্লাসেৰে
পিন্ধি আছে দাসত্বৰ
স্বৰ্ণ-মণিবন্ধ;
স্বধৰ্ম্ম তিয়াগি
যি—
পিন্ধি কলুষিত শিৰস্ত্ৰান
সন্মানেৰে পিন্ধি অসন্মান

কুতৰ্কেৰে ঢাকিছে ভীৰুতা
পাণ্ডিত্যেৰ আৱৰে নীচতা
নিজৰ স্বাৰ্থৰ বাবে
কৰে নিজ জননীৰ
শত অপমান,
বিলাসৰ বিনিময়ে
বিকি দিলে দেশৰ সন্মান,
ক্ষুধিতৰ, দলিতৰ
জ্বলি অভিশাপ
হৈ যাওক সেইবোৰ
ধূলিৰ সমান।
সেই ভ্ৰষ্ট
কুলাঙ্গাৰ
আৱৰ্জ্জনা পৰিষ্কাৰি,
কৰি দিম সুনিৰ্ম্মল দেশৰ বিমান
ন-যোৱান-ই-হিন্দ মই ভাৰত ন-যোৱান।
ময়ে দুৰ্নিবাৰ
ভেদিছোঁ অন্ধকাৰ,
যুগে যুগে আহোঁ
নৱপ্ৰেৰণাৰে
ময়েই অৱতাৰ।
ৰামৰূপে ময়ে
অসুৰবিনাশী ধৰিলোঁ ধনুৰ্ব্বাণ,
কৃষ্ণ ৰূপেৰে বাঁহীটি বজালোঁ
মুহিলোঁ জগতপ্ৰাণ।
বুদ্ধ ৰূপেৰে
নতুন জ্ঞানৰ পোহৰ কৰিলোঁ দান,

ময়েই আকৌ সত্যাগ্ৰহেৰে
পৃথিবী কৰিছোঁ কম্পমান
জগাই তুলিছে নৱ-জগতৰ আলোকমুগ্ধ প্ৰাণ।
নৱ-সভ্যতাৰ যোগত বহিছোঁ
সুন্দৰৰ এক নতুন প্ৰকাশ
ময়েই কৰিছোঁ ধ্যান,
ন-যোৱান-ই-হিন্দ মই
ভাৰত ন-যোৱান।

শুনা, শুনা
বিশ্ব-মানৱপুত্ৰ!
ভাগে ভাগে ৰাখি যোৱা
নিজ নিজ বৈশিষ্ট্যৰ
সভ্যতাৰ জীৱনৰ
বিকাশ-প্ৰকাশ যত সুচিত্ৰ-বিচিত্ৰ
তথাপিও হ'বা মহামিত্ৰ
ইটোৱে সিটোৱে।

নৱ-পৃথিবীৰ
এয়ে মিলন-মন্ত্ৰ
এইদৰে ৰচিলোঁ যে মানৱতন্ত্ৰ
পৃথিবীৰ জীৱনৰ এয়ে হ'ব সূত্ৰ।

আজি এক হোৱা
যত মানৱ-সন্তান!
একেলগে কথা কোৱা
গোৱা একে গান;
একে মন, একে মতি
হোৱা একপ্ৰাণ।

বিশ্ব জুৰি জ্বলা আজি
মানৱ মঙ্গলমেধ
একে মন্ত্ৰ সমস্বৰে কৰা উচ্চাৰণ ;
এক হওক সজ্ঘ আজি
এক চিত্ত মন,
এক ইচ্ছা মাথোঁ এক
মহান-জীৱন।

এয়ে মোৰ ভাৰতৰ
বাণী সনাতন,
প্ৰথম পুৰাৰে পঁৰা
বাঁহীত বজাওঁ মই
এই এটি চিৰন্তন গান,
ন-যোৱান-ই-হিন্দ মই
ভাৰত ন-যোৱান।
জগতৰ ধৰ্ম্মে ধৰ্ম্ম
মোৰে বাণী বহু ৰূপে হ'ল প্ৰচাৰিত,
মানৱৰ আদৰ্শে আদৰ্শে
মোৰে চিন্তা হ'ল প্ৰকাশিত,
মানৱৰ আদৰ্শে আদৰ্শে
মোৰে চিন্তা হ'ল মুকুলিত,
সংসাৰৰ জ্ঞানে জ্ঞানে
বিজ্ঞানে বিজ্ঞানে
মোৰে বুদ্ধি-মেধা বিকশিত,
মানৱৰ প্ৰাণে প্ৰাণে
মোৰ মহাপ্ৰাণ হ'ল
সদায়ে স্পন্দিত,

পৃথিবীৰ ভাব-ভাষা চিৰন্তন যত আশা
কাব্য কাহিনী যত
মোৰ সুৰ ৰাগেৰে ৰঞ্জিত।

আমি কৰিব লাগিব
পৃথিবী আলোকময়—
জ্ঞান-বিজ্ঞানৰ
সকলো ধৰ্ম্মৰ
নানা আদৰ্শৰ
নানা বিভেদৰ
কৰিব লাগিব মহান সমন্বয়—
মহামহত্ত্বৰ
বিৰোধী আসুৰী
সকলো শত্ৰু কৰিব লাগিব জয়।

এই পৃথিবীৰ
আনিব লাগিব মহত্ত্বৰ মহাজয়,
কৰিব লাগিব গোটেই জগত
অমৃত আনন্দময়।

মানুহ ফুলিব লাগিব
বিকশি
কৰিব লাগিব বিশ্বখনকে
স্বৰ্গীয় সুৰভিময়।
জয় হওক পোহৰৰ জয়
জয় হওক মানৱৰ
মহত্ত্বৰ—
আদৰ্শৰ জয়—

চিৰমঙ্গলৰ
চিৰকল্যাণৰ
জগতৰ এই মহাবিকাশৰ
হওক যুগে যুগে জয়
চিৰসুন্দৰৰ জয়।

# অসমৰ নবীন যোৱানৰ সঙ্কল্প

জাগোঁ মই—
অসমৰ নবীন যোৱান,
বুকুৰ জ্বলিছে মোৰ অগ্নিময়ী অভিমান
জাগোঁ মই অসমৰ অজেয় যোৱান।
কোন তই গচকি খচকি দিছ,
মোৰ চোতালতে আহি
কৌটিকলীয়া অধিকাৰ
সাৱধান, হ'বি সাৱধান!
মৃত্যুৰে পতালোঁ সখি মই
লাচিতৰ তৰোৱাল লৈ
জীৱনৰ নৱতম শৰাইঘাটত
আজি মোৰ ৰণসজ্জা,
দিম তেজ
দিম মাংস
দিম অস্থিমজ্জা।
লাখো লাখ নবীনৰ
বলি যাব প্ৰাণ
সাৱধান—সাৱধান!
জাগোঁ মই অসমৰ নবীন যোৱান।
নীলাচল পৰ্ব্বতৰ শিলৰ তলত
যুগ যুগ বহি মই
শুনো লুইতৰ অগ্নিবাগ;
নিজৰ কলিজা চিৰি
আঁজলিয়ে আঁজলিয়ে
মোৰ বওা তেজেৰে

ৰচিলোঁ সভ্যতা কত
অৰ্পি দিলোঁ অকাতৰে
সুন্দৰৰ চৰণত
ৰক্তজবা সম যজ্ঞভাগ।

ভাগৰুৱা পৰাণক তন্দ্ৰা অলস দেখি
কোনে জুৱাৰত আহি
টঙ্কাৰিলি ধনুৰ্ব্বাণ
সাৱধান, অতি সাৱধান!

কনকলতাৰ তপত তেজেৰে
কপালত আঁকা মোৰ
তিলক বহ্নিমান,
বিয়াল্লিছত কৰিছোঁ ৰক্তস্নান
কৰিছোঁ অগ্নিস্নান।

আয়ে দিয়া মোৰ বিহু-গামোচাৰে
গুলী খোৱা তেজ মচি,
ৰণদেৱতাৰ ৰঙা থাপনাৰ জ্বলাওঁ শলিতাগছি
পুনৰ সষ্টম—সাজু হৈছোঁ
দিবলৈ জীৱন দান।

তিলক ডেকাৰ মৰে সমনীয়া
মৰে অসমৰ বাতি-পহৰীয়া;
বাপতিসাহোন স্বদেশৰখীয়া
লুইতৰ পাৰৰ মৰে দুৰ্মদ
অজেয় নৱ-জোৱান।
মোৰ অধিকাৰ কোনে গচক খচক
সাৱধান, সাৱধান॥

এহাতেৰে মই
বগা পদুমেৰে
পূজা কৰোঁ সুন্দৰৰ,
আনটি হাতেৰে
চলাই অস্ত্র
ৰোধ কৰি যাওঁ
অবিচাৰ যত
অত্যাচাৰ যত
অন্যায় যত
কদৰ্য্য অসুৰৰ
স্বাৰ্থান্ধ মানুহৰ
পৃথিবীলে' অহা নতুন আলোক
ভেটা দিয়া বৰ্ব্বৰৰ।
মহামানৱৰ জয়-গান গাওঁ
অসুৰক্ক কৰোঁ ক্ষয়;
অসভ্যক মই শঙ্কা নকৰোঁ
প্ৰতিক্ৰিয়ালৈ সমূলি নডৰোঁ
জানো, জানো, জানো
পৃথিবীত হব সত্যৰ মহাজয়।
এই মহাবিশ্বাসকে লৈ
অন্যায়কাৰীৰ স'তে যুঁজিবলে'
সক্ষম হ'লোঁ মই।
ৰণসাজে আজি
সেইহে সজ্জা
দিবলৈ ওলাওঁ অস্থি-মজ্জা।
জ্বলিছে বুকত সঞ্চিত অভিমান;
জাগোঁ—

জাগা আজি অসমৰ
অধিকাৰ ৰাখিবলে'
মৃত্যুঞ্জয় নবীন যোৱান।
আজি কোন ক'ত আছ
নিৰ্জীৱ হৈ লুইতৰ পাৰৰ ডেকা।
আঁজলিৰে আজি তেজ বাকি দি
মচিব লাগিব চেকা।
তোৰ দুৰ্ভগীয়া জননীৰ
পাহৰি গ'লি নে
শৰাইঘাটত
তয়েই এদিন বলি লৈছিলি
মান ৰাখি অসমীৰ?
যি কি ধৰ্ম্ম নহওক তোৰ
বামুণ-শূদিৰ যিয়েই নহৱ
হিন্দু বা মুছলমান
বৌদ্ধ হৱ, খ্ৰীষ্টান হৱ
মাথোঁ মনত ৰাখিবি তই অসমৰ ন-যোৱান।
নতুন পৃথিৱী গঢ়িবলে' তোৰ
জাগে আদৰ্শ অতি মহান,
সাম্য-মৈত্ৰী-স্বাধীনতাৰ
আৰু নৱবিপ্লৱৰ
কবি যাৱ তই
অভিনৱ অভিযান।
আন তই কোনো নহৱ, নহৱ
তই মাথোঁ হৱ
নতুন দিনৰ
নতুন মনৰ

নৱজাগৰিত ন-যোৱান
নৱমানৱীয় ন-যোৱান।
লুইতৰ দুপাৰে
পথাৰে পথাৰে
কোন কোন গাভৰু আছ,
কোন সপোনৰ কিনো চানেকীৰে
কিনো কেচ্‌ফুল বাছ?
অসমৰ সৌ উত্তৰ-পূবে
দক্ষিণে-পশ্চিমে
তই কোন পৰ্ব্বতীয়া
ঊৰ্দ্ধস্বিনী বালা,
কি বনফুলেৰে
লাতুমণিৰে গুঠিছ কিহৰ মালা?
ফুলৰ চানেকী থৈ দে অ' আজি
থৈ দে বনৰ ফুলৰ ডলা,
ৰণৰ গোসাঁনী হৈ তই আজি
পৰ্ব্বতে-ভৈয়ামে
ওলা, ওলা।
মিথ্যাচাৰৰ ফোৰোহনি মাৰি
আহিছে আসুৰী বল,
অন্যায়, অসত্য যুক্তিৰে তোৰ
ভাঙিব খুজিছে
জাতীয় জীৱনৰ
সোণৰ দ'ল।
আজি হেজাৰ বছৰ ধৰি
পৰ্ব্বতে-ভৈয়ামে লগ খাই তই
গঢ়িলি জীৱন যিটি,

নানা বিদেশৰ আহিলে ৰিখিনি
তাকো দিলি তই
যাউতিযুগীয়া প্ৰীতি।
নানা ধৰমৰ
নানা কৰমৰ
নানা বৰণৰ
জাতি-উপজাতি গোট খাই,
ৰচিলি সুৰদি ভাষা অসমীয়া
পৃথিৱীত বিচাৰি পাবলে' নাই।
পৰ্ব্বতৰ নিজৰা, ভৈয়াম নামিলে
ভৈয়ামৰ ডাৱৰে পৰ্ব্বত চুমিলে
তাতে মিলি গ'লে দেশ-বিদেশৰ
আহি কতনা জনে,
অসমৰ মাটিৰে ভাগ্য গঢ়ি যে
বুকুৰ কুটুম হ'লে।
এনুৱা নোহোৱা-নোপজা সমন্বয়
মুখৰ কথাৰে ছিঙিভাঙি দি
কৰিব মিছাৰে জয়???
বুকু পাতি তই ওলাই আহ অ'
পৰ্ব্বতীয়া-ভৈয়ামীয়া
তই অসমীয়া
তই অসমীয়া
তই খিলঞ্জীয়া অসমীয়া।

'দৈনিক অসমীয়া'
২০ জানুৱাৰী, ১৯৪৭
তামোলবাৰী, ডিব্ৰুগড়

# শিল্পী মই

সৃষ্টিৰ পুৰাতে ৰূপ পাই
বন্দনা কৰিলোঁ বিশ্বব্যাপী সৌন্দৰ্য্যক।
আকিলোঁ অৰুণ ৰঙা বেলি
আকিলোঁ সন্ধিয়াৰ, বৰ্ণ খেলিমেলি
আকিলোঁ আকাশৰ তৰাৱলী।

পূৰ্ণিমাৰ জোঁন আৰু নৱেন্দু সুন্দৰ
আৰু নীলোধি মালাৰে সাগৰ,
লিখিলোঁ পটত মোৰ
ধুনীয়া নিজৰা—ফেনেফোটোকাৰ,
জান্-জুৰি কত নৈ,
মহানদ-নদী
খৰস্রোতা দুৰ্ব্বাৰ।

# বিশ্বশিল্পী

শিল্পী মই তিনিও কালৰ
অতীতৰ
বৰ্ত্তমানৰ
অনাগত ভৱিষ্যৰ।
আদিতেই-যাত্ৰা কৰি অনাদিলৈ যাওঁ,
ধ্বংসৰ মাজেদি মই
ৰূপান্তৰেদি ৰূপ পাই
নৱতম সৃষ্টিৰ শলিতা জ্বলাওঁ।
জনতাৰ হৃদয়ত মোৰ সোণোৱালী দেশ
মই পিন্ধো বিশ্ববেশ
নতুন দৃষ্টিৰে চাওঁ সৃষ্টি অনিমেষ।
নানা ভাষা
নানা আশা
নানা জাতি-বৰ্ণ জিনি
মই শুনো ৰিণি ৰিণি
বিশ্ব-জনতাৰ এক অপূৰ্ব্ব সঙ্গীত।
সেই সঙ্গীতৰ প্ৰতিধ্বনি
তোলোঁ মোৰ
গানে-সুৰে
সাম্যৰ
সমৃদ্ধিৰ
সৌন্দৰ্য্যৰ
মহামহত্বৰ
পাতিবলৈ শান্তিৰ নৱলোক
এই পৃথিৱীত।